জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৯৬/২০২২**

দিনজোৰা কাৰ্যসূচীৰে বৰপেটা ভ্ৰমণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## কয়াকুছিত নতুন পৰিদৰ্শন বঙলা উদ্বোধন আৰু সৰুক্ষেত্ৰী জগন্নাথ মন্দিৰৰ নতুন মণিকূট, বাটচ'ৰাৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## সৰ্থেবাৰীৰ অসামৰিক চিকিৎসালয় অত্যাধুনিক স্বাস্থ্যসেৱা কেন্দ্ৰলৈ তাৎক্ষণিকভাৱে উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস মুখ্যমন্ত্ৰীৰ

**অনুদান হিচাপে গণ্য কৰা হ'ব কাঁহ-পিতল উদ্যোগীলৈ আগবঢ়োৱা ৫ কোটি টকাৰ ঋণ ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়াকুছিস্থিত লোক নিৰ্মাণ বিভাগৰ নৱ নিৰ্মিত পৰিদৰ্শন বঙলাটি আজি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ অধীনত ২ কোটি টকা ব্যয় সাপেক্ষে এই পৰিদৰ্শন বঙলাটি নিৰ্মাণ কৰা হৈছে। ভূমি মহলাকে ধৰি তিনি মহলীয়া এই গৃহটিত মুঠ ১১টা কোঠালি আছে আৰু ইয়াৰে ৬টা শীত-তাপ নিয়ন্ত্ৰিত। তদুপৰি ভি আই পিৰ ভ্ৰমণৰ বাবে ইয়াত এটা ছুইট আছে।

পৰিদৰ্শন বঙলাটোৰ সভাকক্ষত লোক নিৰ্মাণ (গ্ৰাম্য পথ) আৰু বিভিন্ন সংগঠনৰ প্ৰতিনিধিসকলৰ উপস্থিতিত হোৱা সভাত সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিভিন্ন উন্নয়নমূলক কামৰ লগতে জনসাধাৰণৰ সমস্যাৰাজিৰো বুজ লয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে উন্নয়নমূলক কাম-কাজসমূহ সময় নিৰ্ধাৰিতভাৱে সম্পূৰ্ণ কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। নাগৰিকসকলে দিয়া অভিযোগৰ মীমাংসা কৰিবলৈ তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ দাবী পূৰণৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰো আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয়াকুছি এলেকাৰ সামগ্ৰিক উন্নয়নৰ বাবে সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে লোৱা প্ৰচেষ্টাৰো শলাগ লয়।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে সৰ্থেবাৰী পাঁচখেল গঞাগয়ৰহৰ ধৰ্মীয় বিশ্বাস আৰু সেৱাৰ অনুষ্ঠান শ্ৰীশ্ৰীজগন্নাথ মন্দিৰৰ সন্মুখৰ পুৰণি মণিকূটৰ লগতে বাটচ'ৰাৰ নতুনকৈ নিৰ্মাণকাৰ্যৰো আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই কামৰ বাবে ৰাজ্য চৰকাৰে ৫০ লাখ টকা আগবঢ়াব বুলিও ঘোষণা কৰে। কাঁহ-পিতল নগৰী আৰু ইয়াৰ বাসিন্দাসকলৰ সামগ্ৰিক উন্নয়নৰ বাবে কেতবোৰ প্ৰকল্প আৰু আঁচনিৰ কথাও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। সৰ্থেবাৰী অসামৰিক চিকিৎসালয়খনত আধুনিক চিকিৎসাৰ যন্ত্ৰপাতি আৰু পৰ্যাপ্ত স্বাস্থ্যসেৱা কৰ্মচাৰী নিয়োগেৰে এখন অত্যাধুনিক চিকিৎসালয়লৈ উন্নীত কৰাৰ দিশত চৰকাৰৰ পৰা

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণৰো আশ্বাস প্ৰদান কৰে। তেওঁ লগতে ঘোষণা কৰে যে বিভিন্ন কাঁহ-পিতল উদ্যোগৰ উদ্যোগীয়ে লাভ কৰা মুঠ ৫ কোটি টকাৰ ঋণ আৰু ক্ৰেডিটক অনুদান হিচাপে গণ্য কৰা হ'ব আৰু এই ধন বা সূদ ঘুৰাই দিব নালাগিব। ইয়ে কাঁহ-পিতলৰ শিল্পক আগুৱাই নিয়াৰ দিশত সহায়ক হৈ উঠিব বুলিও তেওঁ কয়। সৰ্থেবাৰীক পাঠশালাৰ সৈতে সংযোগী ড° জিনাৰাম দাস পথৰ বৰ্তমানে চলি থকা উন্নীতকৰণৰ কাম অতিশীঘ্ৰে সম্পূৰ্ণ কৰা হ'ব বুলি তেওঁ কয়। সৰ্থেবাৰীৰ জনসাধাৰণৰ পৰিচয় আৰু সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে যথোচিত গুৰুত্ব প্ৰদান কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে আজি কৃষ্ণগুৰু সেৱাশ্ৰমো পৰিদৰ্শন কৰি ৰাজ্যৰ জনসাধাৰণৰ কুশল-মংগল কামনাৰে সেৱা আগবঢ়ায়। তেওঁ এই আধ্যাত্মিক স্থানৰ বাসিন্দা আৰু ইয়াৰ সদস্যসকলৰ সৈতেও মত-বিনিময় কৰে।

মুখ্যমন্ত্ৰী এই ভ্ৰমণকালত ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণী তালুকদাৰ, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ আৰু অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**আঃহঃ/পুঃডেঃ**
**২৯/০৯/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in